মই এনেকুৱা এজন ব্যক্তি সম্পৰ্কে জানো, যাৰ ঘৰ মছজিদৰ পৰা আটাইতকৈ দূৰত আছিল। তথাপিও তেওঁ কেতিয়াও চালাতৰ জামাত এৰা নাছিল।

উবাই বিন কাআব -ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত, তেওঁ কৈছেঃ মই এনেকুৱা এজন ব্যক্তি সম্পৰ্কে জানো, যাৰ ঘৰ মছজিদৰ পৰা আটাইতকৈ দূৰত আছিল। তথাপিও তেওঁ কেতিয়াও চালাতৰ জামাত এৰা নাছিল। উবাই ইবনু কাআবে কৈছেঃ তাক কোৱা হ'ল, অথবা মই তাক ক'লোঁ, (বৰ্ণনাকাৰী আবু উছমান আন নাহদীৰ সন্দেহ, দুটাৰ কোনটো কৈছিল সেইটো তেওঁৰ মনত নাই) তুমি যদি এটা গাধ কিনি লোৱা, তেন্তে ৰাতিৰ অন্ধকাৰত আৰু দিনত প্ৰখৰ ৰ'দৰ সময়ত আৰোহণ কৰি আহিব পাৰিবা (এইটো তোমাৰ কাৰণে ভাল হ'ব)। এই কথা শুনি তেওঁ ক'লেঃ মোৰ ঘৰ মছজিদৰ কাষত হওক এইটো মোৰ বাবে কোনো আনন্দৰ বিষয় নহয়। মই বিচাৰোঁ, মছজিদলৈ যোৱা মোৰ প্ৰতিটো খোঁজ আৰু মোৰ পৰিয়ালৰ ওচৰলৈ উভতি অহাৰ প্ৰতিটো খোঁজৰ বিনিময়ত আল্লাহে মোৰ আমলনামাত ছোৱাব লিপিবদ্ধ কৰক। তেওঁৰ এই কথা শুনি ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছেঃ "মহান আল্লাহে তোমাৰ বাবে সেই সকলো ছোৱাব একত্ৰিত কৰি ৰাখিছে।"
[ছহীহ] [(মুছলিম)]

উবাই ইবনু কাআব ৰাদ্বিয়াল্লাহু আনহুৱে হাদীছটোত বৰ্ণনা কৰিছে যে, আনচাৰসকলৰ এজন ব্যক্তিৰ ঘৰ মছজিদে নবৱীৰ পৰা আটাইতকৈ দূৰত আছিল। ইয়াৰ পিছতো তেওঁ কেতিয়াও জামাতত নামাজ এৰা নাছিল। বৰং প্ৰত্যেক ওৱাক্ততে নবী চাল্লাল্লাহু আলাইহি অছাল্লামৰ সৈতে নামাজত উপস্থিত হৈছিল। এবাৰ তেওঁক কোৱা হ'লঃ তুমি এটা গাধ কিনি নোলোৱা কিয়, যাতে ৰাতিৰ অন্ধকাৰত আৰু দিনত প্ৰখৰ ৰ'দৰ সময়ত আৰোহণ কৰি আহিব পাৰা? এই কথা শুনি তেওঁ ক'লেঃ মোৰ ঘৰ মছজিদৰ কাষত হওক এইটো মোৰ বাবে কোনো আনন্দৰ বিষয় নহয়। মই বিচাৰোঁ, মছজিদলৈ যোৱা মোৰ প্ৰতিটো খোঁজ আৰু মোৰ পৰিয়ালৰ ওচৰলৈ উভতি অহা প্ৰতিটো খোঁজৰ বিনিময়ত আল্লাহে মোৰ আমলনামাত ছোৱাব লিপিবদ্ধ কৰক। তেওঁৰ এই কথা ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে অৱগত হোৱাৰ পিছত ক'লেঃ "মহান আল্লাহে তোমাৰ বাবে সেই সকলো ছোৱাব একত্ৰিত কৰি ৰাখিছে।"

http://sunnah.global/hadeeth/as/show/3561